**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 28-05-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::::::::***

১। উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কাইলৈৰ পৰা তিনি দিনীয়া ভ্ৰমণসূচীৰে কৰ্ণাটক, গোৱা আৰু কেৰলম ভ্ৰমণ কৰিব।

২। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰতিগৰাকী অবৈধ প্ৰব্ৰজনকাৰীক চিনাক্ত কৰি দেশৰ পৰা বিতাৰণ কৰিবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলি দোহাৰিছে।

৩। কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সীদ্দাৰামায়াই আজি লোকভৱনত ৰাজ্যপালৰ সচিবক আনুষ্ঠানিকভাৱে পদত্যাগপত্ৰ দাখিল কৰে।

৪। গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত অসমকে ধৰি ১২খন ৰাজ্যলৈ ১০ হাজাৰ কোটিৰো অধিক টকা মোকলাই দিছে।

*আৰু*

৫। ভাৰতীয় মহিলা ক্ৰিকেট দলটোৱে আজি নিশা চেল্মছফ'ৰ্ডত ইংলেণ্ডৰ বিৰুদ্ধে তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত অৱতীৰ্ণ হ'ব।

ooooo

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে কাইলৈৰ পৰা তিনি দিনীয়া ভ্ৰমণসূচীৰে কৰ্ণাটক, গোৱা আৰু কেৰলম ভ্ৰমণ কৰিব। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কাইলৈ কৰ্ণাটকৰ বেংগালুৰুত আৰ্ট অফ লিভিং সংস্থাটোৰ ৪৫ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশ ল'ব। ইয়াৰ পিছত তেওঁ ডাৱাংগিৰিত বিডিটি বিশ্ববিদ্যালয়ৰ অভিযান্ত্ৰিক মহাবিদ্যাৰয়ৰ মহাৰজত জয়ন্তী উদযাপন অনুষ্ঠানত উপস্থিত থাকিব। চলিত মাহৰ ৩০ তাৰিখে শ্ৰী ৰাধাকৃষ্ণনে পানাজিত গোৱাৰ ৰাজ্য দিৱসত অংশগ্ৰহণ কৰিব। তেওঁ লগতে গোৱাৰ ৰাষ্ট্ৰীয় সমুদ্ৰ বিজ্ঞান প্ৰতিষ্ঠান ভ্ৰমণ কৰিব। ৩১ তাৰিখে তেওঁ বেলথানগুৰিত এছ আই আৰ আই উদ্যোগিক উদ্যান উদ্বোধন কৰাৰ লগতে কৰ্ণাটকৰ শ্ৰীক্ষেত্ৰ ধৰ্মস্থল মঞ্জুনাথ স্বামী মন্দিৰ পৰিদৰ্শন কৰিব। তাৰ পাছতে তেওঁ কেৰলমৰ কোট্টায়ামত দীপিকা মালয়ালম কাকতৰ ১৪০ সংখ্যক প্ৰতিষ্ঠান দিৱস উদযাপন অনুষ্ঠানত উপস্থিত থাকিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে শ্লোভেনিয়াৰ প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱা য়ানেজ য়ানশ্বাক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে ভাৰত-শ্লোভেনিয়াৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক শক্তিশালী

কৰাৰ লগতে উভয় দেশৰ জনসাধাৰণৰ উপকাৰ তথা সমৃদ্ধিৰ হকে নৱ-নির্বাচিত প্ৰধানমন্ত্ৰীগৰাকীৰ সৈতে একেলগে কাম কৰি যাবলৈ আগ্ৰহী বুলি প্ৰকাশ কৰে।

00000

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰতিগৰাকী অবৈধ প্ৰব্ৰজনকাৰীক চিনাক্ত কৰি দেশৰ পৰা বিতাৰণ কৰিবলৈ চৰকাৰ দৃঢ় প্ৰতিজ্ঞ বুলি দোহাৰিছে। আজি গুজৰাটৰ গান্ধী নগৰ লোকসভা সমষ্টিত প্ৰায় ৩৪০ কোটি টকাৰ বিভিন্ন উন্নয়নমূলক প্ৰকল্প উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি এখন জনসভাত দিয়া ভাষণত তেওঁ এইদৰে কয়। শ্ৰী শ্বাহে কয়, যে চৰকাৰ দেশৰ পৰা অনুপ্ৰৱেশকাৰীক বিতাৰণ কৰাৰ লগতে সীমান্তক সুৰক্ষিত কৰিবলৈ প্ৰতিশ্ৰুতিবদ্ধ। শ্ৰী শ্বাহে লগতে পশ্চিমবংগ চৰকাৰে এসপ্তাহৰ ভিতৰতে সীমা সুৰক্ষা বাহিনীক ৬০০ হেক্টৰ ভূমি প্ৰদান কৰাৰ বাবে অভিনন্দন জনায়। আনহাতে শ্ৰী শ্বাহে বীৰ ছাবাৰকাৰৰ জয়ন্তী উপলক্ষে মাতৃভূমিৰ প্ৰতি তেওঁৰ জীৱনজোৰা দায়বদ্ধতা আৰু সৰ্বোচ্চ ত্যাগৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। তিনিদিনীয়া ভ্ৰমণসূচীৰে গুজৰাটলৈ যোৱা মন্ত্ৰীগৰাকীয়ে কৰ্পোৰেট সামাজিক দায়বদ্ধতাৰ অধীনত নিৰ্মাণ কৰা পুথিভঁৰাল, প্ৰাথমিক বিদ্যালয় ভৱনকে ধৰি বিভিন্ন ৰাজহুৱা সা-সুবিধা মুকলি কৰে। সন্ধিয়া শ্ৰী শ্বাহে আহমেদাবাদৰ ভীমজিপুৰাত ভাৰত মাতা স্কুৱেৰ আৰু চোলাড মাতা উমিয়া ধাম চৌহদত এটা নতুন আবাস গৃহ মুকলি কৰিব। ইয়াৰ পাছতে গৃহমন্ত্ৰীগৰাকীয়ে শ্বাহিবাগ আৱৰ্ত ভৱনত সমাগত অলিম্পিক, কমনৱেলথ আদি খেলৰ আন্তঃগাঁথনিৰ প্ৰস্তুতিৰ মূল্যায়ণৰ বাবে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰিব।

00000

কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সীদ্দাৰামায়াই আজি লোকভৱনত ৰাজ্যপালৰ সচিবক আনুষ্ঠানিকভাৱে পদত্যাগপত্ৰ দাখিল কৰে। সংবাদিকৰ সৈতে হোৱা কথা-বতৰাত তেওঁ আনুষ্ঠানিকভাৱে পদত্যাগ পত্ৰ দাখিল কৰাৰ কথা নিশ্চিত কৰে। শ্ৰী সীদ্দাৰামায়াই লগতে কয়, যে তেওঁ ৰাজ্যপালক ডি কে শিৱকুমাৰক মুখ্যমন্ত্ৰী পদবী গ্ৰহণৰ বাবে আমন্ত্ৰণ জনাবলৈ অনুৰোধ কৰে। কিয়নো শিৱকুমাৰে ১৩৬ গৰাকীৰো অধিক বিধায়কৰ সৰমৰ্থনেৰে বিধানসভাত নিৰংকুশ সংখ্যাগৰিষ্ঠতা লাভ কৰিছে। তেওঁ কয়, যে দলৰ শীৰ্ষ নেতৃত্বই তেওঁক ৰাজ্যসভাৰ আসনৰ বাবে প্ৰস্তাৱ দিছে যদিও তেওঁ এই প্ৰস্তাৱ প্ৰত্যাহাৰ কৰে। ৰাষ্ট্ৰীয় ৰাজনীতিৰ প্ৰতি আগ্ৰহী নহয় বুলি উল্লেখ কৰি তেওঁ কয়, যে ৰাজ্যখনৰ জনসাধাৰণৰ বাবে তেওঁ সদায় কাম কৰি যাব। উল্লেখযোগ্য যে ২০২৩ চনৰ মে'ত কংগ্ৰেছে বিধানসভা নিৰ্বাচনত জয়লাভ কৰাৰ পাছত সীদ্দাৰামায়াই দ্বিতীয়বাৰৰ বাবে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী হৈছে। ইয়াৰ পূৰ্বে তেওঁ ২০১৩ৰ পৰা ২০১৮ চনলৈ ৰাজ্যখনৰ মুখ্যমন্ত্ৰী হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। দুটা কাৰ্যকালত মুঠ ৮ বছৰ মুখ্যমন্ত্ৰীপদত কাৰ্যনিৰ্বাহ কৰা সীদ্দাৰামায়াই ৰাজ্যখনৰ এই পদবীত দীৰ্ঘকালৰ বাবে কাৰ্যনিৰ্বাহ কৰা ব্যক্তিৰূপে পৰিগণিত হৈছে। ইয়াৰ লগতে তেওঁ মুখ্যমন্ত্ৰী আৰু ইয়াৰ পূৰ্বে বিত্তমন্ত্ৰী হিচাপে ৰাজ্যখনত ১৭ বাৰ বাজেট উত্থাপন কৰিছে। আনহাতে ৰাজ্যখনৰ উপ-মুখ্যমন্ত্ৰী ডি কে শিৱকুমাৰ কৰ্ণাটক কংগ্ৰেছৰ এগৰাকী জ্যেষ্ঠ নেতা। ২০২৩ চনৰ কৰ্ণাটক বিধানসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ বিজয়ত তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

00000

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰে আজি ছাইপ্ৰাছত দেশখনৰ প্ৰধানমন্ত্ৰী নিকোছ ক্ৰিষ্ট'ড'লিডেজক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা পোষ্টত ড০ জয়শংকৰে কয়, যে দুয়োগৰাকী নেতাই পশ্চিম এছিয়াৰ শেহতীয়া পৰিস্থিতি সম্পৰ্কে আলোচনা কৰাৰ লগতে ভূমধ্য সাগৰীয় অঞ্চলত ভাৰতৰ স্বাৰ্থজড়িত বিভিন্ন বিষয় সম্পৰ্কে

আলোচনা কৰে। তেওঁ কয়, যে ছাইপ্ৰাছৰ ৰাষ্ট্ৰপতিগৰাকীৰ শেহতীয়া ভাৰত ভ্ৰমণৰ গুৰুত্বপূৰ্ণ ফলাফল পৰিলক্ষিত হৈছে আৰু বিভিন্ন ক্ষেত্ৰত উভয় দেশৰ অংশীদাৰিত্ব বৃদ্ধি পাইছে।

ooooo

গ্ৰামোন্নয়ন মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি ভিডিঅ' কনফাৰেন্সিং যোগে প্ৰধানমন্ত্ৰী আৱাস যোজনা গ্ৰামীনৰ অধীনত অসমকে ধৰি ১২খন ৰাজ্যলৈ ১০ হাজাৰ কোটিৰো অধিক টকা মোকলাই দিছে। এই ধনৰাশি লাভ কৰা আন ৰাজ্যকেইখন হ'ল- চত্তিশগড়, গুজৰাট, হাৰিয়ানা, হিমাচলপ্ৰদেশ, ঝাৰখণ্ড, কৰ্ণাটক, কেৰালা, পাঞ্জাৱ, ৰাজস্থান, তামিলনাডু আৰু উত্তৰ প্ৰদেশ। এই উপলক্ষে দিয়া ভাষণত শ্ৰী চৌহানে কয়, যে দেশৰ কোনো দুখীয়া লোকে যাতে কেঁচা ঘৰত থাকিবলগীয়া নহয়, তাক নিশ্চিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী প্ৰতিশ্ৰুতিবদ্ধ। প্ৰধানমন্ত্ৰী আবাস যোজনা গ্ৰামীণৰ অধীনত চাৰি কোটি ৯৫ লাখ গৃহ আৱণ্টনৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে আৰু ইয়াৰে তিনি কোটি ৯১ লাখ গৃহৰ অনুমোদন জনোৱা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰী চৌহানে কয়, যে তিনি কোটিৰো অধিক ঘৰৰ নিৰ্মাণ ইতিমধ্যে সম্পূৰ্ণ হৈছে। তেওঁ কয়, যে বিভিন্ন কল্যাণমূলক আঁচনিৰ জৰিয়তে কেন্দ্ৰীয় চৰকাৰে গ্ৰাম্য পৰিয়ালৰ জীৱনৰ মান উন্নত কৰাৰ বাবে অবিৰতভাৱে কাম কৰি আছে। মহিলা সৱলীকৰণৰ বিষয়ে উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে এই আঁচনিৰ অধীনত অনুমোদন লাভ কৰা প্ৰায় ৭৫ শতাংশ ঘৰ মহিলা অথবা পুৰুষ-মহিলা উভয়ৰে নামত আৱণ্টন কৰা হৈছে।

ooooo

ৰে'ল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে তেলেংগানাৰ কাজিপেট ৰে'ল নিৰ্মাণ গোটে অহা পাঁচ বছৰৰ ভিতৰত ২০০ খন ইণ্টাৰচিটি ৰে'ল নিৰ্মাণ কৰিব বুলি প্ৰকাশ কৰিছে। এই ৰে'লসমূহ দেশৰ বিভিন্ন ঠাইত হ্ৰস্ব দূৰত্বৰ যাত্ৰাৰ বাবে ব্যৱহাৰ কৰা হ'ব। ৰে'ল ৰাজ্যমন্ত্ৰী ৰৱনীত সিং বিট্টু আৰু জ্যেষ্ঠ বিষয়াসকলৰ সৈতে শ্ৰী বৈষ্ণৱে আজি কাজিপেট ৰে'ল নিৰ্মাণ গোটটোৰ কাৰ্যক্ষম হৈ থকা বিভিন্ন প্ৰকল্পৰ পৰ্যালোচনা কৰে। এই ৰে'লসমূহৰ নিৰ্মাণে বহুসংখ্যক লোকক ৰে'ল যাত্ৰাক গ্ৰহণ কৰাৰ বাবে উৎসাহিত কৰিব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। প্ৰতি ঘণ্টাত ১৩০ কিলোমিটাৰ বেগেৰে যাত্ৰা কৰিবলগীয়া এই ৰে'লসমূহে দেশৰ সেউজ আৰু স্বচ্ছ যাতায়াতৰ সামৰ্থ বৃদ্ধি কৰিব বুলি মন্ত্ৰালয়ে প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় ক্ৰীড়া মন্ত্ৰী মনসুখ মন্দাভিয়াই কাইলৈৰ পৰা আৰম্ভ হ'বলগীয়া তেওঁৰ মেঘালয় ভ্ৰমণত এখন বহুমুখী ইণ্ডোৰ ক্ৰীড়া প্ৰকল্পৰ উদ্বোধন কৰা লগতে মেঘালয়ত অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতা আয়োজনৰ প্ৰস্তুতিৰ বুজ ল'ব। ভ্ৰমণকালত মন্ত্ৰীগৰাকীয়ে ৰাজ্যখনৰ যুৱ পৰিক্ৰমা, ক্ৰীড়াৰ আন্তঃগাঁথনি উন্নয়ন আৰু কেন্দ্ৰৰ আঁচনিসমূহৰ পৰ্যালোচনা কৰিব। ৰাজ্যখনৰ যুৱ পৰিক্ৰমা বিভাগে আয়োজন কৰা এটি বিশেষ কাৰ্যসূচীতো শ্ৰী মন্দাভিয়াই অংশ ল'ব।

মেঘালয়ৰ মুখ্যমন্ত্ৰী মনৰাড কে চাংমাৰ সৈতে ৩০ মে'ত তেওঁ শ্বিলঙত ক্ৰীড়া প্ৰকল্পখনৰ উদ্বোধন কৰিব। উল্লেখযোগ্য যে প্ৰায় ১৩৩ কোটি ব্যয় সাপেক্ষে নিৰ্মাণ হোৱা এই ক্ৰীড়া প্ৰকল্পটো ৰাজ্যখনত অনুষ্ঠিত হ'বলগীয়া ৩৯ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়াৰ অন্যতম স্থান হিচাপে পৰিগণিত হ'ব।

ooooo

যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰালয়ে ক্ৰীড়া প্ৰশাসন আৰু কমনৱেলথ গেমছ ২০৩০ৰ প্ৰস্তুতি শক্তিশালী কৰাৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়া ডিজিটেল পৰিৱেশ তন্ত্ৰৰ অধীনত ৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেশ্যন (এনএছএফ) ত তথ্য প্ৰযুক্তি পৰামৰ্শদাতাসকলক নিয়োজিত কৰিব। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ডাঃ মনসুখ মাণ্ডৱিয়াই কয় যে এই পদক্ষেপৰ লক্ষ্য হৈছে ফেডাৰেচন আৰু নিৰ্দিষ্ট ডিজিটেল প্ৰণালীবোৰ সুচল কৰা আৰু প্ৰতিযোগিতা, ৰাষ্ট্ৰীয় প্ৰশিক্ষণ শিবিৰ, খেলুৱৈৰ অংশগ্ৰহণ, প্ৰশাসন প্ৰক্ৰিয়া আৰু ততকালিন সমন্বয়ৰ বাবে অধিক ফলপ্ৰসূ পৰিকল্পনাৰ ব্যৱস্থা কৰা। তেওঁ কয় যে ২০৩০ চনৰ কমনৱেলথ গেমছ আৰু ভৱিষ্যতে অলিম্পিক আয়োজনৰ পূৰ্বে মন্ত্ৰালয়ে শক্তিশালী ক্ৰীড়া পৰিৱেশ তন্ত্ৰ গঢ়ি তুলিবলৈ প্ৰতিশ্ৰুতিবদ্ধ।

মন্ত্ৰালয়ে কয় যে প্ৰশিক্ষিত তথ্য প্ৰযুক্তি পৰামৰ্শদাতাসকলে ফেডাৰেচন-সমৰ্থন সম্পদ হিচাপে কাম কৰিব। মন্ত্ৰালয়ে লগতে কয় যে এই উদ্যোগটোৱে খেলুৱৈৰ তথ্য, সময়সূচী, মনোনয়ন আৰু অনুমোদন সময়মতে আৰু সংহতভাৱে নিশ্চিত কৰি প্ৰতিযোগিতাত অংশগ্ৰহণৰ পৰিকল্পনা আৰু ৰাষ্ট্ৰীয় শিবিৰ ব্যৱস্থাপনাত দক্ষতা বৃদ্ধি কৰিব।

০০০০০

ভাৰতীয় মহিলা ক্ৰিকেট দলটোৱে আজি চেল্মচফৰ্ডত ইংলেণ্ডৰ বিৰুদ্ধে তিনিখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত অৱতীৰ্ন হ'ব। চলিত বৰ্ষতে অনুষ্ঠিত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপৰ পূৰ্বে ভাৰতীয় দলটোৰ বাবে এইখনেই অন্তিম টি-২০ শৃংখলা। আই চি চি ৰ শেহতীয়া টি-২০ ৰেংকিঙত ভাৰতীয় দলটোৱে তৃতীয় স্থান লাভ কৰাৰ বিপৰীতে ইংলেণ্ড দ্বিতীয় স্থানত আছে। উল্লেখযোগ্য যে আজিৰ খেলখন ভাৰতীয় সময়মতে নিশা ১১ বজাত আৰম্ভ হ'ব।

০০০০০

ভাৰতৰ পি ভি সিন্ধু আৰু লক্ষ্য সেনে দৰ্শনীয় জয়েৰে ছিংগাপুৰ অপেন বেডমিন্টন প্ৰতিযোগিতাৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰাৰ বিপৰীতে এইচ এছ প্ৰণয় আজি পৰাজয়ৰ লগে লগে প্ৰতিযোগিতাৰ পৰা বাহিৰ হৈছে।

দুবাৰৰ অলিম্পিক পদক বিজয়ী সিন্ধুৱে দ্বিতীয় ৰাউণ্ডৰ খেলত জাপানৰ ৰিকো গুঞ্জিক ২১-৯,২১-১২ পইন্টত পৰাস্ত কৰে। কোৱাৰ্টাৰ ফাইনেলত সিন্ধুৱে কোৰিয়াৰ শীৰ্ষ

স্থানপ্ৰাপ্ত এন ছে ইয়াংৰ মুখামুখি হ’ব। লক্ষ্য সেনে কোৱাৰ্টাৰ ফাইনেলত জাপানৰ কোকি ৱাটানাবেৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব।

পুৰুষৰ ডাবলছ প্ৰতিযোগিতাত সাত্বিকচাইৰাজ ৰংকিৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটিও কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে। এছিয়ান গেমছৰ চেম্পিয়ন যুটিটোৱে মালয়েছিয়াৰ খাই জিং কাং আৰু আৰন টাইৰ মুখামুখি হ’ব। প্ৰতিযোগিতাত ভাৰতৰ মিক্সড ডাবলছ যুটি ধ্ৰুৱ কপিলা আৰু তানিশা ক্ৰেষ্টোও কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ